**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতক প্ৰশংসা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এগৰাকী ভাল বন্ধু বুলি অভিহিত কৰিছে।

২। মংগোলীয়াৰ ৰাষ্ট্ৰপতি খুৰেলসুখ উখ্‌নাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে পৰ্যালোচনা কৰিব।

৩। আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমিৰ খান মুট্টাকীয়ে কৈছে যে পাকিস্তানৰ সৈতে থকা সীমা বিবাদ সন্দৰ্ভত দেশখনে নিজৰ উদ্দেশ্যত সফল হৈছে।

৪। চলিত বিত্তীয় বৰ্ষত দেশৰ প্ৰত্যক্ষ কৰ সংগ্ৰহ ৬ দশমিক ৩-৩ শতাংশ বৃদ্ধি হৈ ১১ লাখ ৮৯ হাজাৰ কোটিতকৈও অধিক হৈছে। *আৰু*

৫। আই চি চি মহিলা এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ কালি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই বাংলাদেশক ৩ উইকেটত পৰাস্ত কৰে।

ooooo

ইজিপ্তত অনুষ্ঠিত শ্বৰ্ম-অল-শ্বেখ শীৰ্ষ সন্মিলনত দিয়া ভাষণত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতক প্ৰশংসা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এগৰাকী ভাল বন্ধু বুলি অভিহিত কৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পে ভাৰতক এখন মহান দেশ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীক বন্ধুৰ তালিকাত শীৰ্ষত থকা বুলি মন্তব্য কৰে। ট্ৰাম্পে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে অভূতপূৰ্ব কাম কৰি দেখুৱাইছে। ৰাষ্ট্ৰপতি শ্ৰীট্ৰাম্পে ভাৰত আৰু পাকিস্তানৰ সম্পৰ্ক সন্দৰ্ভত কয়, যে দুয়োখন দেশে মিলাপ্ৰীতিৰে থাকিব বুলি আশা ব্যক্ত কৰে। গাজাত ইজৰাইল আৰু হামাছৰ মাজৰ সংঘৰ্ষৰ অৱসান ঘটাবলৈ ঐতিহাসিক শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ পাছতেই ট্ৰাম্পে এইবুলি মন্তব্য কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে ঐতিহাসিক গাজা শান্তি পৰিকল্পনাৰ সফলতাৰ বাবে ৰাষ্ট্ৰপতি ট্ৰাম্পক টেলিফোনযোগে অভিনন্দন জনোৱাৰ কিছুদিন পাছতেই ট্ৰাম্পে এই বিবৃতি দিয়ে।

ooooo

মংগোলীয়াৰ ৰাষ্ট্ৰপতি খুৰেলসুখ উখ্‌নাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে পৰ্যালোচনা কৰিব। দুয়োগৰাকী নেতাৰ মাজত আলোচনাৰ অন্তত বিভিন্ন খণ্ডত কেইবাখনো চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। মংগোলীয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। মংগোলীয়াৰ ৰাষ্ট্ৰপতি খুৰেলসুখ উখ্‌না চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হৈছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ ৰাজ্য মন্ত্ৰী মুৰলীধৰ মোহলে মংগোলীয়াৰ ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত আদৰণি জনায়। মংগোলীয়াৰ

ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে কেবিনেট মন্ত্ৰী, সাংসদ, জ্যেষ্ঠ বিষয়া, উদ্যোগপতি আৰু সাংস্কৃতিক প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো ভাৰতলৈ আহিছে। ৰাষ্ট্ৰপতি খুৰেলসুখ উখ্‌নাৰ এয়া প্ৰথমটো ভাৰত ভ্ৰমণ।

উল্লেখযোগ্য যে ভাৰত আৰু মংগোলীয়াৰ মাজত ১৯৫৫ চনতেই কূটনৈতিক সম্পৰ্ক স্থাপন হৈছিল। বিগত ৭টা দশকত দুয়োখন দেশৰ মাজত বহুমুখী অংশীদাৰিত্ব বৃদ্ধি পাইছে। এই সময়ছোৱাত প্ৰতিৰক্ষা আৰু সুৰক্ষা, খনি, তথ্য প্ৰযুক্তি, শিক্ষা, স্বাস্থ্য যতন আৰু সাংস্কৃতিক সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত উভয় দেশৰ মাজৰ অংশীদাৰিত্বৰ সম্প্ৰসাৰণ ঘটিছে। দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীৰ এই ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা সুযোগ প্ৰদান কৰিব।

০০০০০

আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমিৰ খান মুট্টাকীয়ে কৈছে যে পাকিস্তানৰ সৈতে থকা সীমা বিবাদ সন্দৰ্ভত দেশখনে নিজৰ উদ্দেশ্যত সফল হৈছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমুট্টাকীয়ে কয়, যে পাকিস্তানৰ আক্ৰমণৰ পাছতেই আফগানিস্তানে মাত্ৰ এটা সামৰিক অভিযান কৰিছিল। বৰ্তমান ভাৰতত থকা আফগানিস্তানৰ বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে কাটাৰ আৰু অন্যান্য আৰব ৰাষ্ট্ৰৰ লেখীয়া আফগানিস্তানৰ বন্ধু ৰাষ্ট্ৰসমূহে যুদ্ধ বন্ধ কৰিবলৈ দেশখনক অনুৰোধ জনাইছিল। তেওঁ কয় যে যুদ্ধৰ জৰিয়তে কোনো সমস্যাৰ সমাধান নহয়, বৰং আলোচনাৰ মাধ্যমহেৰে ই সম্ভৱ হ'ব পাৰে।

০০০০০

ৰে'লৱে সুৰক্ষা বাহিনী আৰ পি এফত এতিয়াৰে পৰা প্ৰতি বছৰে কৰ্মচাৰী চয়ন আয়োগে নিযুক্তি পৰীক্ষাৰ ব্যৱস্থা কৰিব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে ৰে'লৱে সুৰক্ষা বাহিনীক আধুনিক প্ৰযুক্তিৰে উন্নত কৰাৰ বাবে গ্ৰহণ কৰা কেইবাটাও পদক্ষেপৰ বিষয়ে সদৰি কৰে। গুজৰাটত কালি আৰ পি এফৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে শীঘ্ৰেই আৰ পি এফৰ জোৱানসকলক উন্নত প্ৰযুক্তিৰ ভি এইচ এফ ছেট প্ৰদানৰ লগতে উন্নত ডিজিটেল প্ৰযুক্তি আৰু ড্ৰোণ চালনাৰ প্ৰশিক্ষণ দিয়া হ'ব। যোৱা ১১ বছৰত ভাৰতীয় ৰে'লৱেৰ ৰূপান্তৰ আৰু প্ৰগতিৰ যাত্ৰাৰ বিষয়ে উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে ৩৫ হাজাৰ কিলোমিটাৰ নতুন ৰে'লপথ নিৰ্মাণ কৰাৰ উপৰি ৯৯ শতাংশ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে। তদুপৰি চৰকাৰে ৰে'ল ষ্টেচনৰ পুনৰ উন্নতকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা দ্ৰুত গতিত কাৰ্যকৰী হৈছে আৰু ৭ হাজাৰ ৩০০ টা ষ্টেচনৰ উন্নীতকৰণৰ পৰিকল্পনা লোৱা হৈছে। ইয়াৰে ১১০ টাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি শ্ৰী বৈষ্ণৱে জানিবলৈ দিয়ে।

০০০০০

চলিত বিত্তীয় বৰ্ষত দেশৰ প্ৰত্যক্ষ কৰ সংগ্ৰহ ৬ দশমিক ৩-৩ শতাংশ বৃদ্ধি হৈ ১১ লাখ ৮৯ হাজাৰ কোটিতকৈও অধিক হৈছে। আয়কৰ বিভাগে প্ৰকাশ কৰে যে চলিত বৰ্ষৰ পহিলা এপ্ৰিলৰ পৰা ১২ অক্টোবৰলৈকে ৫ লাখ দুহেজাৰ কোটি সংগ্ৰহ হৈছিল। বিগত বৰ্ষত এই সময়ছোৱাত সংগৃহীত কৰৰ পৰিমাণ আছিল ৪ লাখ ৯২ হাজাৰ কোটি টকা। চলিত বৰ্ষত ন'ন কৰ্পৰেট কৰ ৬ লাখ ৫৬ হাজাৰ কোটি টকা হৈছে। ২০২৪ চনত এই একেই সময়ছোৱাত ন'ন কৰ্পৰেট কৰ সংগ্ৰহৰ পৰিমাণ আছিল ৫ লাখ ৯৪ হাজাৰ কোটি টকা। ছিকিউৰিটী লেনদেন কৰ ৩০ হাজাৰ ৪৭৮ কোটি টকা সংগ্ৰহ হোৱাৰ বিপৰীতে বিগত বৰ্ষত এই সময়ছোৱাত সংগৃহীত ধনৰ পৰিমাণ আছিল ৩০ হাজাৰ ৬৩০ কোটি টকা। প্ৰথম অৱস্থাত প্ৰত্যক্ষ কৰ সংগ্ৰহ ১৩ লাখ ৯২ হাজাৰ কোটিৰো অধিক হৈছিল। বিগত বৰ্ষৰ তুলনাত এই হাৰ ২ দশমিক ৩ শতাংশ বৃদ্ধি হৈছে। অৱশ্যে ৰিফাণ্ড ইচ্ছ্যু ১৬ শতাংশ হ্ৰাস পাই ২ লাখ ৩ হাজাৰ কোটি টকা হৈছে।

০০০০০

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই শ্বিলঙৰ ৰেড লেণ্ডৰ ৰাজবাৰীত ঐতিহাসিক মণিপুৰ ৰাজভৱনৰ পুনৰ নিৰ্মাণৰ কাম নিৰীক্ষণৰ বাবে পাঁচজনীয়া সদস্যৰে এখন সমিতি গঠন কৰিছে। এই সমিতিখনে ঐতিহাসিক ৰাজভৱনটোৰ প্ৰদৰ্শনী প্ৰেক্ষাগৃহ আৰু গেলেৰী প্ৰদৰ্শনী সামগ্ৰীসমূহ নিৰীক্ষণ কৰিব। মাহুদৰ সঞ্চালক নাংগম উত্তম সিঙৰ নেতৃত্বত এই সমিতিখন গঠন কৰা হৈছে। এই বিষয়ত কলা আৰু সংস্কৃতিৰ উপসচিব সুনান্দা থকছমে সদস্য সচিব হিচাপে উত্তম সিঙক সহযোগিতা আগবঢ়াব। সমিতিখনৰ অন্য তিনিগৰাকী সদস্য হৈছে- ক্লাৰা ক'ছিনী ফিমু, শশীকান্ত শৰ্মা আৰু নাংগম দিলীপ মৈতেই।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে কালি কাৰ্ডিঅ' পালমনেৰী ৰিচাচিটেশ্বন চমুকৈ চিপিআৰ সজাগতা সপ্তাহ মুকলি কৰিছে। অহা ১৭ অক্টোবৰত এই সজাগতা সপ্তাহৰ সামৰণি পৰিব। চিপিআৰ সজাগতা সপ্তাহ মুকলি কৰি কেন্দ্ৰীয় স্বাস্থ্য সচিব পূন্যসলিলা শ্ৰীবাস্তৱে জনসাধাৰণৰ মাজত চিপিআৰ প্ৰয়োগ সামৰ্থ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চিপিআৰ সজাগতা সপ্তাহ সম্পৰ্কে  চৰকাৰৰ দূৰদৰ্শী চিন্তাৰ বিষয়ে উল্লেখ কৰি স্বাস্থ্য সচিবগৰাকীয়ে কয় যে এই সজাগতা বৃদ্ধিৰ জৰিয়তে প্ৰতিখন ঘৰ, বিদ্যালয়, কাৰ্যালয় আৰু ৰাজহুৱা স্থানত অন্ততঃ এজনকৈ ব্যক্তিয়ে এই জীৱন ৰক্ষাকাৰী পদ্ধতিটোত প্ৰশিক্ষিত হোৱাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হ'ব।

০০০০০

আই চি চি মহিলা এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ কালি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই বাংলাদেশক ৩ উইকেটত পৰাস্ত কৰে। খেলখনত বাংলাদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত শ্বাৰ্মিন আখটাৰ আৰু শ্ব'ৰ্ণা আখটাৰৰ অৰ্ধশতকৰ সহায়ত ৬ উইকেটৰ বিনিময়ত ২৩২ ৰান কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ তিনিটা বল বাকী থকা অৱস্থাত ৭টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ল' ট্ৰায়ন আৰু মাৰিজেন কেপে অৰ্ধশতক কৰে। ট্ৰায়নক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। কালিৰ এই জয়ৰ পাছত দক্ষিণ আফ্ৰিকা পইণ্ট তালিকাত তৃতীয় স্থানলৈ উন্নীত হোৱাৰ লগতে বাংলাদেশ ষষ্ঠম স্থানতে থাকে।

প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

০০০০০

বেডমিণ্টনত ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেন আৰু পুৰুষৰ শীৰ্ষ যুটী ছিৰাগ চেট্টী আৰু স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডীয়ে আজি আৰম্ভ হ'বলগীয়া ডেনমাৰ্ক অপেন ২০২৫ত ভাৰতক নেতৃত্ব দিব। পুৰুষৰ একক শাখাত লক্ষ্য সেনৰ সৈতে আয়ুষ চেট্টীয়ে যোগদান কৰিব। পুৰুষৰ ডাবলছত ষষ্ঠ বাছনিৰ ছিৰাগ চেট্টী আৰু স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডীৰ লগতে ছাই প্ৰতীকে আৰু পৃথ্বী কৃষ্ণমূৰ্তিৰায়ে অংশগ্ৰহণ কৰিব।

মহিলাৰ ছিংগলছত ভাৰতৰ আনমোল খাৰ্বেই প্ৰৱেশ কৰিছে। মিক্সড ডাবলছত অলিম্পিয়ান তানিশা ক্ৰাষ্ট'ৰে ধ্ৰুৱ কপিলাৰ সৈতে অংশ লোৱাৰ লগতে মহিলাৰ ডাবলছত কবিপ্ৰিয়া ছেলবাম আৰু সীমৰণ সিংহীৰ লগতে ৰুতাপৰ্ণা পাণ্ডা আৰু স্বেতাপৰ্ণা পাণ্ডায়েও অংশ ল'ব।

০০০০০

ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত এছিয়ান টেবুল টেনিছ দলীয় প্ৰযোগিতাতৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ মহিলা টেবুল টেনিছৰ দলটোৱে ছিংগাপুৰৰ বিৰুদ্ধে ৩-২ ফলাফলত পৰাজিত হয়। ভাৰতৰ মনিকা বাট্ৰা আৰু যশস্বিনী ঘোৰপাড়ে দুয়োগৰাকীয়েই জয়লাভ কৰিছিল যদিও দিয়া ছিতালেই নিজৰ দুয়োখন খেলতেই পৰাজিত হয়। এই পৰাজয়ৰ ফলত প্ৰতিযোগিতাত ভাৰতৰ পদক লাভৰ আশাৰ অন্ত পৰে। ইপিনে পৰহি অনুষ্ঠিত পুৰুষৰ কোৱাৰ্টাৰ ফাইনেলতো হংকং চীনৰ বিৰুদ্ধে ভাৰতীয় পুৰুষ দলটোৱে পৰাজয় স্বীকাৰ কৰে।

ooooo

সমাপ্ত